# ‘ইণ্ডিয়া বনা পৰদেশ’
# ছাংহাই আৰু সাম্প্ৰতিক ভাৰতৰ প্ৰগতিৰ এক চিত্ৰ

**পৰাগ কুমাৰ ডেকা**




থোৰতে এয়াই হৈছে ছবিখনৰ কাহিনীটোৰ জঁকাটো। এই কাহিনীটোক পৰিচালকে অতি কৌশলেৰে সমসাময়িক পৰিস্থিতি বিশ্লেষণৰ এক আহিলাৰূপে ব্যৱহাৰ কৰিছে। সচৰাচৰ ৰাজনৈতিক ‘থ্ৰিলাৰ’ৰ পৰিচালকসকলৰ পদাংক অনুসৰণ নকৰি দিবাকৰ বেনাৰ্জীয়ে দেখুৱাইছে কিদৰে বৰ্তমান আমাৰ দেশত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন পৰ্যায়ত লগা কেৰোণবোৰৰ মূলতে হ’ল এক জাতি হিচাবে আমাৰ সমাজত খোপনি পুতি বহা কেতবোৰ ভ্ৰান্ত মতাদৰ্শ।

পৰাগ কুমাৰ ডেকা এজন উদীয়মান অনুবাদক আৰু গল্পকাৰ
ফোনঃ ৯৮৫৯২-৩৬৪৪৮

‘ফৌজত হেনো যুদ্ধলৈ যোৱাৰ আগেয়ে মাট্‌ন খুৱায়। মাট্‌নৰ ইংলিছ কি অ’?’

‘মাট্‌ন।’

‘মানে! হিন্দী-ইংলিছ ছে’ম ছে’ম!’

এয়া হিন্দী ছিনেমা জগতৰ প্ৰতিভাৱান নবীন পৰিচালক দিবাকৰ বেনাৰ্জীৰ কথাছবি ছাংহাই (২০১২)-ৰ আৰম্ভণিৰ সংলাপ। উক্ত দৃশ্যটোত ভেৰোণীয়া ঘাতক ভগুৱে সমাজকৰ্মী এজনক হত্যা কৰিবলৈ যোৱাৰ আগেয়ে তাৰ লগৰীয়াজনক এইদৰে সুধিছে। আপাতঃ দৃষ্টিত এই সংলাপটো মাথো হাস্যৰস উদ্ৰেক কৰাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা যেন লাগিলেও ছবিখন সম্পূৰ্ণকৈ আৰু মনোযোগেৰে চোৱাৰ পাছত বুজিব পৰা যায় যে পৰিচালকে এই কথাযাৰিৰ মাজেৰে সাম্প্ৰতিক ভাৰতৰ বাস্তৱ চিত্ৰ এখন দাঙি ধৰিবলৈ চেষ্টা কৰিছে, যি বাস্তৱ পৰিহাস আৰু কৰুণ বিসঙ্গতিৰে ভৰা।

ছাংহাইৰ কাহিনীভাগ আৰু ইয়াৰ প্ৰসঙ্গ মূলতঃ ৰাজনৈতিক। কিন্তু সচৰাচৰ বলিউডী ঢঙৰ বা আন আন ৰাজনৈতিক ছবিৰ সৈতে এই ছবিখনৰ বিস্তৰ প্ৰভেদ। সাম্প্ৰতিক সময়ত হিন্দী চিনেমাৰ যহত ৰাজনৈতিক ছবি বুলিলেই আমাৰ মনত যি ধৰণৰ দলীয় দুৰ্নীতি, ষড়যন্ত্ৰ, ঘটনাৰ মেৰপেছ, অথবা ব্যক্তি বিশেষৰ অসততা বা স্বাৰ্থপৰতাৰে ভৰা গতানুগতিক থ্ৰীল-সৰ্বস্ব কাহিনীৰ ধাৰণা এটা গঢ় লৈ উঠিছে, তাৰ বিপৰীতে ছাংহাইত কেতবোৰ অতি প্ৰাসংগিক আৰু সমসাময়িক সমস্যা সম্পৰ্কে পৰিচালকৰ তীক্ষ্ণ পৰ্যবেক্ষণ চকুত পৰে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হৈছে যে পৰিচালকে ছবিখনৰ ব্যৱসায়িক স্বাৰ্থত সাম্প্ৰতিক সমস্যাবোৰৰ জটিলতাক সৰলীকৃত ৰূপত, জুতি লগাকৈ পৰিৱেশন কৰিবলৈ চেষ্টা কৰা নাই। বৰঞ্চ তেওঁ এই সমস্যাবোৰৰ জটিলতা আৰু পাৰস্পাৰিক সম্পৰ্কসমূহ অক্ষুণ্ণভাৱে তুলি ধৰিও ছবিখনক এক উচ্চমানৰ কলাকৃতিৰ ৰূপ দিবলৈ সক্ষম হৈছে।

কথাছবিখনৰ কাহিনীভাগ গ্ৰীক ঔপন্যাসিক ভেচিলিছ ভেচিলিকছৰ ১৯৬৬ চনত প্ৰকাশিত উপন্যাস জি ($Z$)-ৰ পৰা লোৱা। ইয়াৰ আগতেও, ১৯৬৯ চনত ফৰাচী ভাষাত একেই নামেৰে ($Z$) আন এখন অতি উচ্চ প্ৰশংসিত চলচিত্ৰ নিৰ্মিত হৈছিল। এইখন ছবিৰ নিমাৰ্তা আছিল গ্ৰীক মূলৰ ফৰাচী পৰিচালক ক’ষ্টা গেভ্ৰেছ। ভেচিলিকছৰ উপন্যাসখনৰ সৈতে ছাংহাই ছবিখনৰ কাহিনীভাগ একে







যদিও ই সাম্প্ৰতিক ভাৰতবৰ্ষৰ ৰাজনৈতিক, সামাজিক পটভূমিৰ সাঁচত ঢলা। **ছাংহাই** ছবিখনৰ কাহিনীভাগ থুলমূলকৈ এনেধৰণৰ—

এখন কাল্পনিক ভাৰতীয় ৰাজ্য 'ভাৰত নগৰ'ত শাসনাধীস্থ দলে ব্যাপক অৰ্থনৈতিক সংস্কাৰ সাধনৰ যো-জা চলাইছে, আৰু তাৰেই এক অংশ হিচাবে ৰাজ্যখনৰ বিভিন্ন ঠাইত 'ইণ্টাৰনেশ্বন্যাল বিজনিছ পাৰ্ক' (চমুকৈ আই. বি. পি.) নামে 'বিশেষ অৰ্থনৈতিক ক্ষেত্ৰ' স্থাপনৰ পৰিকল্পনা হাতত লৈছে। এই অৰ্থনৈতিক ক্ষেত্ৰ স্থাপনৰ ফলত নিজ নিজ ভূমিৰ পৰা উচ্ছেদ হ'বলগীয়া হোৱা লোকসকলৰ আগত আই. বি. পি.-ৰ বিৰুদ্ধে বক্তৃতা দিবলৈ অহা আমেৰিকাবাসী ভাৰতীয় মূলৰ অধ্যাপক আৰু বিশিষ্ট সমাজবাদী লিখক, চিন্তাবিদ তথা ৰাজনৈতিক কৰ্মী ড° আহমেদী এখন তীব্ৰ বেগী গাড়ীৰ খুন্দাত মাৰাত্মকভাৱে আহত হয়। চৰকাৰী বাহিনীয়ে অধ্যাপক গৰাকীৰ ওপৰত চলা এই স্পষ্ট আক্ৰমণক দুৰ্ঘটনা বুলি প্ৰতিপন্ন কৰিব বিচাৰে যদিও আনুষ্ঠানিকতা ৰক্ষাৰ্থে ঘটনাটো সম্পৰ্কে তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰীৰ দ্বাৰা অনুসন্ধান আয়োগ এখন গঠন কৰা হয়, আৰু আয়োগখনৰ দায়িত্বভাৰ অৰ্পণ কৰা হয় ৰাজ্য চৰকাৰৰ উচ্চ পদস্থ বিষয়া তথা আই. বি. পি.-ৰ উপ-সভাপতি টি. এ'. কৃষ্ণনক। অনুসন্ধান আগবঢ়াৰ লগে লগে ঘটনাৰ এক সম্পূৰ্ণ নতুন ৰূপ কৃষ্ণণৰ চকুত পৰে, আৰু এই কথা প্ৰমাণিত হৈ পৰে যে অধ্যাপকগৰাকীয়ে বলি হোৱা এই দুৰ্ঘটনা আচলতে এক পূৰ্ব পৰিকল্পিত হত্যাৰ প্ৰচেষ্টাহে আছিল, য'ত ৰাজ্য চৰকাৰৰ মুৰব্বীসকল জড়িত আছিল।

থোৰতে এয়াই হৈছে ছবিখনৰ কাহিনীটোৰ জঁকাটো। এই কাহিনীটোক পৰিচালকে অতি কৌশলেৰে সমসাময়িক পৰিস্থিতি বিশ্লেষণৰ এক আহিলাৰূপে ব্যৱহাৰ কৰিছে। সচৰাচৰ ৰাজনৈতিক 'থ্ৰিলাৰ'ৰ পৰিচালকসকলৰ পদাংক অনুসৰণ নকৰি দিবাকৰ বেনাৰ্জীয়ে দেখুৱাইছে কিদৰে বৰ্তমান আমাৰ দেশত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন পৰ্যায়ত লগা কেৰোণবোৰৰ মূলতে হ'ল এক জাতি হিচাবে আমাৰ সমাজত খোপনি পুতি বহা কেতবোৰ ভ্ৰান্ত মতাদৰ্শ।

আমাৰ এই আলোচনাত আমি কথাছবিখনৰ এটা মাথো দিশৰ ওপৰত আলোকপাত কৰিবলৈ যত্ন কৰিম—সেয়া হৈছে ছবিখনত উপস্থাপন কৰা ভাৰতীয় জাতিৰ আত্ম-বিস্মৃতি আৰু আনক অনুকৰণ কৰাৰ প্ৰৱণতাৰ সমস্যাটো, আৰু ইয়াৰ সৈতে জাতীয় জীৱনৰ আন আন দিশবোৰৰ সম্পৰ্ক। এই কথাখিনি আলোচনা কৰিবলৈ আমি ছবিখনৰ মূল কাহিনী ভাগৰ দাঁতিকাষৰীয়া খুঁটি-নাটি আৰু খণ্ডচিত্ৰ কেতবোৰলৈ মন কৰিব লাগিব। মূল কাহিনীটোৰ লগত এই খুঁটি-নাটিবোৰ খাজে-খাপে খুৱালেহে পৰিচালকে ক'বলৈ খোজা কথাখিনিৰ সম্পূৰ্ণ ছবি এখন পোৱা যাব।

ছবিখনৰ আৰম্ভণিতে যেতিয়া ড° আহমেদীয়ে উচ্ছেদৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আহি ভাৰত নগৰৰ বিমান বন্দৰত ভৰি থয়হি, তেতিয়া আমি দেখো তেওঁৰ সহযাত্ৰী বিদেশীনী এগৰাকীক, যি ভাৰতীয় (হিন্দী) চলচিত্ৰত অভিনয় কৰিবলৈ আৰম্ভ কৰিছে। অভিনেত্ৰীগৰাকীয়ে বিমানৰ পৰা নমাৰ লগে লগে বিমান বন্দৰত থাপ পাতি থকা সাংবাদিকসকলৰ মাজত হুৰা-মুৰা লাগি পৰে। সাংবাদিকসকলৰ মাজৰ এজনে বিদেশীনী অভিনেত্ৰীগৰাকীক তেওঁৰ আৰু বলিউডৰ আন এগৰাকী অভিনেত্ৰীৰ মাজত থকা তথাকথিত সংঘাতৰ বিষয়ে প্ৰশ্ন কৰে; দুজনমানে উচ্ছেদৰ বিৰোধিতা কৰিবলৈ অহা অধ্যাপক গৰাকীক অভিনেত্ৰীগৰাকীৰ সৈতে ফটো এখনৰ বাবে প'জ দিবলৈ অনুৰোধ কৰে ('আপুনি অনুগ্ৰহ কৰি টিনা মেডামৰ কান্ধত ধৰি লওঁক'); এজনে ড° আহমেদীক সোধে তেওঁ অভিনেত্ৰীগৰাকীৰ সৈতে 'ষ্টেজ শ্ব' কৰিবলৈ আগ্ৰহী নে। সাংবাদিকসকলে অভিনেত্ৰীগৰাকীক তেওঁৰ পৰৱৰ্তী ছবিখনৰ বিষয়ে সোধাত অভিনেত্ৰীগৰাকীয়ে উত্তৰ দিয়ে—'মাই নেক্সট্ ফিল্ম ইয্ এবাউট্ লাভ, চেট্ ইন লণ্ডন।'

আন এটি দৃশ্য ঃ 'ইণ্টাৰনেশ্বন্যাল বিজনিছ পাৰ্ক'-ৰ উদ্বোধনী অনুষ্ঠানৰ 'সাংস্কৃতিক' কাৰ্যসূচী চলিব ধৰিছে, য'ত ৰাজ্য চৰকাৰৰ সকলোবোৰ শীৰ্ষ বিষয়া উপস্থিত আছে। মঞ্চৰ পাছফালে বেৰত ৰঙীন লাইটৰ বৰ বৰ হৰফেৰে লিখা আছে—'ইণ্ডিয়া বনা পৰদেশ,' বা চমুকৈ আই. বি. পি.। অনুষ্ঠানটোত ৰাতিপুৱা বিমান বন্দৰত দেখা বিদেশীনী অভিনেত্ৰীগৰাকীয়ে স্বল্পবস্ত্ৰ পৰিধান কৰি গীত এটিৰ তালে তালে নাচিব ধৰিছে—'মোৰ আমদানিকৃত কঁকাল' ('ম'ৰি ইম্প'ৰ্টিড কমৰিয়া')। সেই নাচৰ মঞ্চসজ্জা ৰূপে ব্যৱহাৰ হৈছে এখন পুতলা বিমান—য'ৰ ভিতৰত সোমাই নৰ্ত্তকীগৰাকী মঞ্চলৈ আহে—আৰু ৰঙ-চঙীয়া লাইটৰ মালাৰে সজোৱা ৰিক্সা এখন।

আন এঠাইত, আৰম্ভণিতে 'মাটন্ৰ ইংলিছ কি' বুলি সোধোতা ভেৰোণীয়া ঘাতক ভগুক আমি দেখো 'স্পকেন ইংলিশ্ব'ৰ

শ্ৰেণী এটাত। তাক শ্ৰেণীটোৰ প্ৰশিক্ষকগৰাকীয়ে খোকোজা লগা, হিন্দী-ইংৰাজীৰ সানমিহলি ভাষাত সোধে, 'ফী কেতিয়া দিবি, ফী? আজি ইটো, কালি সিটো—সদায় নতুন নতুন বাহানা। তোৰ দামলে' ভাইক সুধিবি ফী কেতিয়া দিব—হিন্দীতে সুধিবি, ইংৰাজীত নোৱাৰ যদি।' শ্ৰেণী কোঠাত হাঁহিৰ খলকনি।

**ছাংহাই** ছবিখনৰ মুক্তিৰ পাছত পৰিচালক দিবাকৰ বেনাৰ্জীয়ে এটি সাক্ষাৎকাৰত কৈছিল, 'আমাৰ ভাৰতবৰ্ষৰ বৰ্তমান এক ডাঙৰ সমস্যা হৈছে যে আজি আমি কোনেও নিজকে লৈ সুখী নহয়।' (CNBCTV 18, ২৩ জুন ২০১২)। নিজকে লৈ আমাৰ যি অসন্তুষ্টি তাক আমাৰ ব্যক্তিগত, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক—সকলো দিশতেই ফুটি উঠি দেখা যায়। আমি মন নকৰাকৈয়েই আমাৰ মাজৰ বহুতেই ব্যক্তিগত আৰু সমাজ জীৱনৰ প্ৰায় সকলোবোৰ দিশতেই অহৰহ আনক অনুকৰণ কৰিবলৈ ধৰিছোঁ; আমাৰ জীৱনৰ অধিকাংশ সিদ্ধান্তই আমাৰ অলক্ষিতেই আন আন বহিৰাগত শক্তি বা প্ৰভাৱৰ দ্বাৰা নিৰ্ধাৰিত হৈছে। এই প্ৰভাৱ হয়তো অদৃশ্য আৰু তাৰ গম ধৰিবলৈ আমি অক্ষম, অথবা দৃশ্যমান কিন্তু তাক বাধা দিয়াকৈ আমাৰ বৌদ্ধিক-মানসিক দৃঢ়তাৰ অভাৱ। উদাহৰণস্বৰূপে, আজি ভাৰতবৰ্ষৰ বৈদেশিক-অৰ্থনৈতিক-ৰাজনৈতিক নীতিসমূহ নিৰ্ধাৰণ হৈছে আন শক্তিশালী পুঁজিপতি ৰাষ্ট্ৰৰ মৰ্জিত বা অনুকৰণত, লাগিলে সেয়া আণৱিক চুক্তিয়েই হওঁক বা প্ৰত্যক্ষ বৈদেশিক বিনিয়োগেই হওঁক। ভাৰতবৰ্ষৰ নেতাসকলৰ এনে সিদ্ধান্তৰ মূলতেই হ'ল আত্মবিশ্বাসৰহিত আৰু পৰমুখাপেক্ষী মনোবৃত্তি। আমাৰ নেতাসকলৰ আটায়ে উন্নয়নৰ কথা কয় যদিও প্ৰকৃততে আমাক কেনেধৰণৰ উন্নয়ন প্ৰয়োজন সেই বিষয়ে তেওঁলোকৰ খুব কম সংখ্যকৰহে হয়তো এক স্পষ্ট ধাৰণা আছে। সেয়েহে আমি উন্নয়নৰ উপযোগী আৰ্হি এটাৰ বিচাৰি বাৰে বাৰে আনৰ দেশৰ ফালে চকু ঘূৰাওঁ।

একেদৰেই, **ছাংহাই** ছবিখনৰ ভাৰত নগৰ নামৰ কাল্পনিক ৰাজ্যখনৰ মন্ত্ৰী-আমোলাসকলেও 'ইণ্ডিয়ান বিজনিছ পাৰ্ক' বা 'নেশ্বন্যাল বিজনিছ পাৰ্ক'-ৰ কথা কোৱা নাই, কৈছে বিশ্বৰ চহকী পুঁজিপতি ৰাষ্ট্ৰবোৰৰ আৰ্হিত প্ৰতিষ্ঠা কৰা 'ইণ্টাৰনেশ্বন্যাল বিজনিছ পাৰ্ক'ৰ কথা; ভাৰত নগৰক তেওঁলোকে চীনৰ ছাংহাইলৈ ৰূপান্তৰ কৰাৰ সপোন দেখিছে আৰু দেখুৱাইছে। ভাৰত নগৰৰ নেতাসকলে আন্তৰিকতাৰে বিশ্বাস কৰিছে যে এই আমদানিকৃত বাণিজ্যিক-অৰ্থনৈতিক আৰ্হিৰ বলত তেওঁলোকে কেৱল ভাৰত নগৰকেই নহয়, সমগ্ৰ দেশকেই অৰ্থনৈতিকভাৱে চীনকৈও আগৰণুৱা ৰূপে প্ৰতিষ্ঠা কৰিব পাৰিব (তেওঁলোকৰ শ্লোগান—'I Believe.IBP')।

কিন্তু আমি প্ৰায়বোৰ লোকেই বিচাৰ কৰি চোৱা নাই যে এনে আমদানিকৃত অৰ্থনৈতিক মডেলৰ লগতে আহিছে পুঁজিবাদে সৃষ্টি কৰা বিভিন্ন বহিৰাগত অপসংস্কৃতি, চিন্তাধাৰা, নতুন নতুন অভাৱ, নতুন হীনমান্যতা, যিবোৰক ছবিখনত অতি অৰ্থপূৰ্ণভাৱে বোলা হৈছে 'ইম্পৰ্টেড কমৰিয়া'।

এই আমদানিকৃত সংস্কৃতি, সামাগ্ৰীয়ে ভাৰতীয় জাতিক এইদৰে বুৰাই পেলাইছে যে ভাল কি, বেয়া কি, দেশী কোনটো, বিদেশী কোনটো তাক বিচাৰ কৰাৰ কোনো অৱকাশেই নাই। 'মাটন্‌ৰ ইংৰাজী কি' বুলি সোধাটো এই পৰিস্থিতিৰ এক কলাত্মক উপস্থাপনেই মাথো নহয়, ই সাম্প্ৰতিক ভাৰতৰ এক প্ৰত্যক্ষ বাস্তৱিক ছবিও। **ছাংহাই** ছবিখন এই সংলাপটোৰে আৰম্ভ কৰি পৰিচালকে এই বাস্তৱৰ প্ৰতিয়েই দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছে। তেওঁ দেখুৱাব খুজিছে কিদৰে এনেধৰণৰ ছলনাময়ী, আত্মপ্ৰতাৰণামূলক 'ইণ্টাৰনেশ্বন্যাল' বা 'গ্ল'বেল' চিন্তা-কৰ্মৰ ফলস্বৰূপে দিনে দিনে ভাৰতবৰ্ষখন বিদেশত পৰিণত হ'ব ধৰিছে, কিদৰে 'ইণ্টাৰনেশ্বন্যাল বিজনিছ পাৰ্ক' হৈ পৰিছে 'ইণ্ডিয়া বনা পৰদেশ'ৰ সমাৰ্থক। মন কৰিবলগীয়া যে ইংৰাজীত ক্ৰিয়া হিচাবে 'ছাংহাই' (shanghai) শব্দটোৰ অৰ্থ হৈছে ছলে-বলে কাৰ্য সমাধা কৰা। **ছাংহাই** ছবিখনতো শাসক বৃন্দই বিভিন্ন ছলে-বলে-কৌশলে ৰাজ্যবাসীৰ ওপৰত তেওঁলোকৰ সংস্কাৰমুখী নীতিসমূহ জাপি দিবলৈ বিচাৰিছে। দেশীয় বা স্থানীয় চৰকাৰৰ এনে সিদ্ধান্তবোৰৰ আঁৰত ক্ৰিয়াশীল আন্তৰ্জাতিক পৰ্যায়ৰ বিভিন্ন চল-চাতুৰিবোৰৰ কথা নকলোৱেইবা।

যিদৰে এফালে আত্মসন্তুষ্টিৰ অভাৱে আমাক পৰক অনুকৰণ কৰিবলৈ উচটাইছে, সেইদৰে আনহাতে এই অনুকৰণৰ ফলত আত্মসন্তুষ্টি অধিক হ্ৰাস পাবলৈ ধৰিছে, আৰু জন্ম হৈছে নতুন নতুন অভাৱৰ। ভেৰোণীয়া ঘাতক ভগুয়ে চৰকাৰী পৃষ্ঠাপোষকতাত মুকলি হ'বলগীয়া 'প্ৰগতি পিজা'ৰ দোকানত 'চুট-টাই পিন্ধি' মেনেজাৰ হোৱাৰ যোগ্যতা আৰ্জিবলৈ 'স্পকেন ইংলিশ্ব'ৰ শ্ৰেণীলৈ গৈছে। এইধৰণৰ উদাহৰণ আমি বেনাৰ্জীৰ আন আন ছবিতো দেখিবলৈ পাওঁ। উদাহৰণস্বৰূপে, তেওঁৰ প্ৰথমখন ছবি **খ'ছলা কা ঘ'ছলা** (২০০৬)-ত চৰিত্ৰ এটিয়ে তেওঁৰ আইতাকে থোৱা নামটোত অসন্তুষ্ট হৈ সেইটো সলাব খোজাত ককায়েকে তেওঁক কিবা ইংৰাজী নাম ল'বলৈ উপদেশ দিছে, কাৰণ তেনে নামৰ ফলত 'সমুখত থকাজনৰ ওপৰত ভাল ইম্প্ৰেছন হয়'। তেনেদৰে, তেওঁৰ দ্বিতীয়খন ছবি **ঐ লাক্কী লাক্কী ঐ** (২০০৮)-তো চুৰি সামগ্ৰীৰ সৈতে উদ্ধাৰ হোৱা কুকুৰ এটাই পুলিছে হিন্দীত মাতিলে বুজি নাপায়, কাৰণ সি 'প'শ্ব' অঞ্চলৰ পৰা চুৰি হোৱা কুকুৰ, যি মাথো ইংৰাজীহে বুজি পায়! কিন্তু **ছাংহাইত** আমি দেখো যে অনুসন্ধান কমিটিৰ মুৰব্বী, ভাৰতীয় প্ৰশাসনীক সেৱাৰ বিষয়া টি. এ'. কৃষ্ণণে—যি কথাছবিখনৰ তুলনামূলকভাৱে সবাতোকৈ সৎ আৰু মানসিক ও নৈতিকভাৱে দৃঢ় ব্যক্তি—দক্ষিণ ভাৰতীয় মূলৰ হোৱা সত্ত্বেও কাচিৎহে তেওঁৰ হিন্দীৰ মাজত ইংৰাজী শব্দৰ প্ৰয়োগ কৰিছে, আৰু কোনো মেল-মিটিং বা সাক্ষাৎকাৰত উপস্থিত হ'বলগীয়া থাকিলে অনুষ্ঠানটোৰ একেবাৰে আগমুহূৰ্ততহে হাতত বা জেপত লৈ থকা টাইডাল ডিঙিত সুমুৱাই লৈছে।

উপৰোল্লেখিত সাক্ষাৎকাৰটিতেই পৰিচালক বেনাৰ্জীয়ে কৈছিল যে **ছাংহাই** ছবিখন তেওঁ মূলতঃ নগৰীয়া দৰ্শকসকলক লক্ষ্য আৰু উদ্দেশ্য কৰিয়েই নিৰ্মাণ কৰিছে। নগৰীয়া সেইখিনি মানুহ, যিখিনিয়ে দেশৰ আশী শতাংশ সম্পদ নিয়ন্ত্ৰণ কৰে, তেওঁলোকক নিজ দায়িত্বৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনায়েই এই ছবিখন নিৰ্মাণ

কৰা বুলি তেওঁ উল্লেখ কৰে। সমাজৰ আৰ্থিকভাৱে পিছপৰা দৰ্শকখিনিয়ে হয়তো তেওঁৰ এই ছবিখন চাব নাহি আন আন মনোৰঞ্জনধৰ্মী ছবিহে চাবলৈ যাব, আৰু বেনাৰ্জীৰ মতে এয়া স্বাভাৱিক আৰু কাম্যও, কাৰণ এই দৰ্শকখিনিয়ে তেওঁলোকৰ দৈনন্দিন জীৱনৰ সংগ্ৰাম আৰু কঠিনতাৰ পৰা সাময়িকভাৱে সকাহ পাবলৈহে ছবিগৃহলৈ যায়। গতিকে তেওঁলোকে ছবিগৃহতো এই বাস্তৱৰ সৈতে মুখামুখি হ'বলৈ নিশ্চয় পচন্দ নকৰিব। সেয়ে সমাজৰ সুবিধাভোগী শ্ৰেণী হিচাবে দেশৰ এই সমসাময়িক সমস্যাসমূহৰ মুখামুখি হোৱাটো নগৰীয়া উচ্চ আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহখিনিৰ এক গুৰুতৰ দায়িত্ব।

এইখিনিতে **ছাংহাই** ছবিখনে অতি সূক্ষ্মভাৱে আন এটা প্ৰশ্নও তুলিছে। ভাৰতীয় দৰ্শকে কলা-মনোৰঞ্জনৰ নামত ছবিগৃহত কি দেখিবলৈ পায়? অধিকাংশ সময়তে তেওঁলোকে হয়তো দেখিবলৈ পায় 'এ' লাভ ষ্টৰি, ছেট্ ইন লণ্ডন'। অৰ্থাৎ, আজি চাৰিওফালে ভাৰতীয় জনতাক মাথো আমদানিকৃত সপোনেই দেখুওৱা হৈছে। এফালে যদি নেতাসকলে ভাৰতবৰ্ষক ছাংহাইলৈ পৰিণত কৰাৰ সপোন দেখুৱাইছে, তেন্তে শিক্ষা-সংস্কৃতিৰ সাউদসকলে দেখুৱাইছে লণ্ডন-নিউয়ৰ্কৰ পটভূমিত আধাৰিত ৰুচিহীন প্ৰেম-পিৰীতিৰ কাহিনী, বা বিদেশত কৰ্ম-সংস্থাপনৰ আশা থকা ইংৰাজী মাধ্যমৰ 'গ্ল'বেল' শিক্ষা-সুবিধাৰ সপোন। তাৰ মাজতে কৃষকৰ আত্মহত্যা, অযুত কোটি টকীয়া কেলেংকাৰী, ভাষা, সংস্কৃতি, পৰিৱেশ আদি বিষয়ক অসংখ্য সমস্যাবোৰ ঢাক খাই পৰিছে, আৰু জনতাইও সকলোবোৰ সমস্যা পাহৰি খন্তেকীয়া বিনোদনৰ ৰাগীত মতলীয়া হৈ পৰিছে। এনে প্ৰগতিৰ ফলস্বৰূপে আজি দেশত শৌচালয়তকৈ মোবাইল ফোনৰ সংখ্যা বেছি (লোকপিয়ল ২০১১)—ঠিক ওপৰৰ ছবিখনত দেখুওৱা আই. বি. পি.-ৰ 'সাংস্কৃতিক' অনুষ্ঠানৰ ৰংচঙীয়া লাইটৰ মালাৰে মেৰিওৱা ৰিক্সাখনৰ দৰে। আৰু সমাজৰ এনে এক পৰিস্থিতিত সংবাদ মাধ্যমৰ দৰে দায়িত্বশীল অঙ্গ এটাৰ প্ৰতিনিধিসকলৰ অধিকাংশই চলচ্চিত্ৰ জগতৰ তাৰকাসকলৰ মাজৰ মহাজাগতিক খকা-খুন্দা আদি বিনোদনমূলক খবৰ সংগ্ৰহ কৰিবলৈ লৰা-ঢপৰা লগাইছে।

গতিকে জনসাধাৰণক বাট দেখুৱাব কোনে? কিন্তু বাট দেখুওৱাৰ পূৰ্বে বাটকটীয়াসকল নিজেও সকলোধৰণৰ মৰীচিকা, গুলৈৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব লাগিব, অথবা এই সীমাবদ্ধতাসমূহ অতিক্ৰম কৰিব পাৰিব লাগিব। পৃথিৱীৰ যিকোনো ঠাইৰ দৰেই ভাৰতবৰ্ষকো নিজ পৰিস্থিতিৰ লগত খাপ খোৱা ধৰণৰ স্বদেশী পৰিকল্পনাৰহে প্ৰয়োজন। এই কথা ৰাষ্ট্ৰনীতি, অৰ্থনীতি, শিক্ষা, সংস্কৃতি সকলো ক্ষেত্ৰতে খাটে। তাৰ পৰিৱৰ্তে আমি যদি পৰিস্থিতিৰ সৈতে কোনো মিল নথকা, খাপচাড়া আৰ্হি কেতবোৰ জাপি দিবলৈ চেষ্টা কৰোঁ, তেতিয়া হিতে বিপৰীতহে হ'ব। আৰু ইয়াৰ বাবে অতীৱ প্ৰয়োজন দেশৰ জনতাৰ সৈতে নিবিড় সম্পৰ্ক থকা আৰু ব্যক্তিগতভাৱে সুদৃঢ় চৰিত্ৰৰ নেতাৰ। মন কৰিবলগীয়া কথা যে **ছাংহাই** ছবিখনত পৰম্পৰাগত অৰ্থত যাক নায়ক বুলি কোৱা হয়, তেনে কোনো নৈতিকভাৱে জাকত জিলিকা চৰিত্ৰ নাই। সকলোবোৰ চৰিত্ৰই ভাল আৰু মন্দৰসমষ্টি। আমি দেখো আপাতত সামাজিকভাৱে দায়বদ্ধ ড° আহমেদীৰ ব্যক্তিগত চৰিত্ৰ আপত্তিজনক, কিন্তু অশ্লীল ছবি নিৰ্মাতা জ'গিন্দৰ পৰমাৰে সময় সাপেক্ষে নৈতিকভাৱে অতি বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে। তাৰোপৰি, ছবিখনৰ এক মুখ্য চৰিত্ৰ টি. এ' কৃষ্ণণে ন্যায়ৰ সপক্ষে ঠিয় দিছে সম্পূৰ্ণ আকস্মিকভাৱে, ঘটনাৰ সোঁতত পৰি। তেওঁৰ ওপৰত বিচাৰক আৰু ন্যায়দাতাৰ ভূমিকা পৰিস্থিতিয়েহে জাপি দিছে। তাৰ মাজতো তেওঁৰ নৈতিক বিজয় এইখিনিতেই, যে তেওঁ অতি বিৰূপ পৰিস্থিতিতো মূৰ পোলোকা নামাৰি এই দায়িত্ব সুকলমে পালন কৰিবলৈ মনোবল গোটাইছে। ইয়াৰ ওপৰিও, ছবিখনত কৃষ্ণণক যেতিয়াই দেখুওৱা হৈছে—ৰাজহুৱা ঠাইতেই হওক বা বিভিন্ন চৰকাৰী স্থানতেই হওক—তেতিয়াই তেওঁ কাঁচৰ (যেনে, চছমা, গাড়ী, বা হেলমেটৰ) আঁৰতেই আছে। অৰ্থাৎ, আমাৰ সমাজৰ অধিকাংশ প্ৰশাসনিক বিষয়াৰ দৰে কৃষ্ণণকো এক অদৃশ্য দেৱালে জনসাধাৰণৰ পৰা আঁৰ কৰি ৰাখিছে। কথাছবিখনৰ শেষত অৱশ্যে তেওঁ ষ্টকহ'মলৈ হ'বলগীয়া তেওঁৰ আসন্ন বদলিৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছে—যাৰ বাবে তেওঁ ব্যক্তিগত ভাৱেও বেচ কিছুদিনৰ পৰা যো-জা চলাই আছিল।। ইয়াক হয়তো দেশৰ প্ৰতি তেওঁৰ নকৈ জাগি উঠা দায়িত্ববোধৰ লক্ষণ আৰু দেশৰ সৈতে এক নতুন সম্পৰ্ক গঢ়ি তোলাৰ সচেতন, স্বনিৰ্ধাৰিত পণ বুলিব পাৰি।

পৰিচালকে **ছাংহাইত** এই সমস্যাসমূহৰ সমাধানৰ কোনো স্পষ্ট পথ আঙুলিয়াই দিয়া নাই যদিও তেওঁ ছবিখনৰ মাজেৰে উত্থাপন কৰা প্ৰশ্নসমূহ যথেষ্ট গুৰুত্বপূৰ্ণ। প্ৰশ্নবোৰ বৰ জটিল আৰু প্ৰায়েই আমাক অসহজ কৰি তোলা বিধৰ যদিও বৌদ্ধিক সততা আৰু জাতীয় জীৱনৰ স্বাৰ্থৰ খাতিৰতে সেইবোৰ গভীৰভাৱে বিচাৰ-বিবেচনা কৰি চাবলগীয়া।

**"যৌথ শ্ৰম প্ৰক্ৰিয়াৰ পৰাই ছন্দ, আৰু সুৰৰ উৎপত্তি হৈছে। শ্ৰমধ্বনিয়েই কালক্ৰমত দুটাৰপৰা তিনিটা বা চাৰিটা স্বৰলৈ বিস্তাৰিত হৈ সংগীতত বিকাশ লাভ কৰে। ছন্দৰো বিকাশ শ্ৰমজীৱনৰ ছন্দৰ পৰাই।"**

**— হেমাঙ্গ বিশ্বাস**

নতুন পদাতিক

সাহিত্য-সংস্কৃতি-সমাজবিষয়ক প্ৰগতিশীল মাহেকীয়া

প্ৰকাশ কাল ● ১৫ নৱেম্বৰ ২০১৩ ● মূল্য ঃ ৩০/-

ISSN- 2250-3471 ● www.natunpadatik.webs.com

● সম্পাদকীয় চিঠি ঃ ৪

● সম্পাদকীয় ঃ পাষাণ মূৰ্তিত প্ৰাণসঞ্চাৰ ৬

● সাময়িকী ঃ ৯

● কেন্দ্ৰীয় প্ৰবন্ধ ঃ

উন্নয়নৰ মতাদৰ্শ আৰু অসমৰ স্থবিৰতা — ড° হীৰেন গোহাঁই ১৫

ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন, হিতাধিকাৰীৰাজ আৰু জীৱন-জীৱিকাৰ নিৰাপত্তা ঃ অসমৰ পটভূমিত এক আলোচনা — ড° অখিল ৰঞ্জন দত্ত ২৪

● অৰ্থনীতি ঃ

সমসাময়িক পুঁজিবাদ বনাম ৰাষ্ট্ৰ ঃ প্ৰত্যাহ্বানৰ সন্মুখত পুঁজিবাদী তত্ত্ব — দ্বিপেন কাকতি ২১

● বিশেষ প্ৰবন্ধ ঃ

বিচিত্ৰ দেশৰ বিচিত্ৰ আমিবোৰ — বিশ্বজিৎ চক্ৰবৰ্তী ২৮

● বিতৰ্ক ঃ

ৰাসায়নিক ঈশ্বৰ, আধ্যাত্মবাদ বনাম বস্তুবাদ — শৈলেন বৰকটকী ৩২

● স্বাস্থ্য ঃ

ভাৰতৰ দাৰিদ্ৰ্যপীড়িত সমাজৰ প্ৰেক্ষাপটত খাদ্য আৰু খাদ্যমূল্যৰ বিচাৰ (খণ্ড ৫) — ঋতুৰাজ কলিতা ৩৭

● বিজ্ঞান ঃ

ক্লনিং, পূৰ্বজন্ম, পৰজন্ম, জীৱ আত্মা ইত্যাদি — ডাঃ দেৱেন্দ্ৰ নাথ মুক্তিয়াৰ ৪৫

● কবিতা ঃ ৪৭

● গল্প ঃ পাঠোদ্ধাৰ — ভূমিধৰ তালুকদাৰ ৪৯

● বিশেষ অনুবাদ প্ৰবন্ধ ঃ লেটিন আমেৰিকা আৰু একৈশ শতিকাৰ সমাজবাদ

মূল ঃ মাৰ্টা হাৰ্নেকাৰ — অনু ঃ ড° গৌতম কুমাৰ বৰা ৫১

● ভাবানুবাদ (গ্ৰন্থ) ঃ এজন অৰ্থনৈতিক ঘাতকৰ স্বীকাৰোক্তি

মূল ঃ জন পাৰ্কিনছ অনুবাদ ঃ ডাঃ জীৱন দত্ত বৰুৱা ৫৩

● দৰ্শন ঃ ভাববাদ খণ্ডন, মূল- দেৱীপ্ৰসাদ চট্টোপাধ্যায়, অনু ঃ শৈলেন বৰকটকী ৫৬

শ্ৰমিকৰ দৰ্শন— মূল ঃ জ্যোতি ভট্টাচাৰ্য অনুবাদ ঃ অৰিন্দম ডেকা ৫৮

● চলচ্চিত্ৰ ঃ

'ইণ্ডিয়া বনা পৰদেশ'

*ছাংহাই* আৰু সাম্প্ৰতিক ভাৰতৰ প্ৰগতিৰ এক চিত্ৰ — পৰাগ কুমাৰ ডেকা ৬২

● গ্ৰন্থ আলোচনা ঃ

অৰূপ কথাৰ জঁকা

ৰবীন্দ্ৰ সৰকাৰৰ কবিতা আৰু মূল্যচেতনা — কুমুদ বৰুৱা ৬৬

*মুখ্য সম্পাদক*

ড° হীৰেন গোহাঁই

*কাৰ্যবাহী সম্পাদক*

ড° অখিল ৰঞ্জন দত্ত

নৱজ্যোতি বৰগোহাঁই

*সহযোগী সম্পাদক*

ইন্দিবৰ দেউৰী

সিদ্ধাৰ্থ লাহিড়ী

শৈলেন বৰকটকী

ঋতুৰাজ কলিতা

ভূপেন্দ্ৰনাথ গোস্বামী

দ্বিপেন কাকতি

ডাঃ জীৱন দত্ত বৰুৱা

ড° গৌতম কুমাৰ বৰা

সিদ্ধেশ্বৰ দাস

*যোগাযোগৰ ঠিকনা ঃ*

নতুন পদাতিক

গান্ধীবস্তি, ৰাজহুৱা কালীমন্দিৰৰ সন্মুখত

নতুন শৰণীয়া, ঘৰ নং - ১৭

উপ-পথ - 4 A, গুৱাহাটী-৭৮১০০৩

E-mail

padatik.natun@gmail.com

naba.borgohain@gmail.com

www.natunpadatik.webs.com

ডি টি পি

পদাতিক প্ৰকাশন

গুৱাহাটী-৭৮১০০৩

ফোন নং - ৯৪৩৫০৫৯৯৫৩

মুদ্ৰণ ঃ

শৰাইঘাট ফটো টাইপছ প্ৰাঃ লিঃ

বামুণীমৈদাম, গুৱাহাটী - ২১

গুৱাহাটী-৭৮১০০৩

ফোন নং - ৯৪৩৫১-৯৭৫১৫

বেটুপাত

দু হু চুহ

# নতুন পদাতিক

- উন্নয়নৰ মতাদৰ্শ আৰু অসমৰ স্থবিৰতা
- সমসাময়িক পুঁজিবাদ বনাম ৰাষ্ট্ৰ ঃ প্ৰত্যাহ্বানৰ সন্মুখত পুঁজিবাদী তত্ত্ব
- 'অৰূপ কথাৰ জঁকা' ঃ ৰবীন্দ্ৰ সৰকাৰৰ কবিতা আৰু মূল্যচেতনা
- ৰাসায়নিক ঈশ্বৰ, আধ্যাত্মবাদ বনাম বস্তুবাদ
- বিচিত্ৰ দেশৰ বিচিত্ৰ আমিবোৰ

ISSN 2250-3471
প্ৰকাশ কাল - ১৫ নৱেম্বৰ, ২০১৩
মুখ্য সম্পাদক-ড° হীৰেন গোহাঁই

